# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-09-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*
**-------------------**

০০০০০

অসম চুক্তিত সন্নিবিষ্ট অন্যতম প্ৰস্তাৱ অনুসৰি গঢ় লৈ উঠা আই আই টি গুৱাহাটী ৰাজ্যখনৰ জনসাধাৰণৰ অভিলাষ আৰু আশা আকাংক্ষা পূৰণৰ উৎকৃষ্ট মাধ্যম হিচাপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। আই আই টি গুৱাহাটীৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশ লৈ আজি মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। এই প্ৰতিষ্ঠানটোৱে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বৌদ্ধিক আৰু বিদ্যায়তনিক উত্তৰণৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। কম সময়ৰ ভিতৰতে আই আই টি গুৱাহাটীয়ে দেশৰ ভিতৰতে অন্যতম প্ৰযুক্তি শিক্ষা প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে। প্ৰতিষ্ঠানটোৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত এয়া সম্ভৱ হৈ উঠিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবেশ সংৰক্ষণ, জলবায়ু পৰিৱৰ্তনকে ধৰি বিভিন্ন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ গৱেষণাই পৰৱৰ্তী সময়ত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। বিদ্যালয়তনিক দিশৰ লগতে এনে ধৰণৰ সুদূৰ প্ৰসাৰি বিষয়সমূহত প্ৰতিষ্ঠানটোৱে গুৰুত্ব আৰোপ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট-মুখ্যমন্ত্ৰী

ডᴏ শৰ্মাই লগতে আই আই টি গুৱাহাটীৰ গৌৰৱোজ্জ্বল যাত্ৰাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে শিক্ষাৰ্থীসকলৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ১০০টা বৃত্তি আৰম্ভ কৰাৰ প্ৰস্তাৱ আগবঢ়ায়।

০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকাই দেখা দিছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে আজি হঠাৎ কুৰিশু জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ পাছত বেকী নৈৰ জলস্তৰ বৃদ্ধি পাইছে। নৈখনৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত নৈপৰীয়া অঞ্চলসমূহত বানৰ আশংকাই গা কৰি উঠিছে। বাক্সা জিলা প্ৰশাসনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পুৱাৰে পৰা নাৰায়ণগুৰিসহ নৈপৰীয়া অঞ্চলসমূহত সতৰ্কবাণী জাৰি কৰিছে। প্ৰশাসনে নৈৰপৰীয়া জনসাধাৰণক শীঘ্ৰেই নিৰাপদ স্থানলৈ আঁতৰি যাবলৈ আহ্বান জনাইছে।

ইপিনে নাগালেণ্ডত হোৱা প্ৰৱল বৰষুণৰ ফলত ভোগদৈ নদীৰ জলস্তৰ বৃদ্ধি হোৱাত উজনিতো বানৰ আশংকাই দেখা দিছে। বান বিধবস্ত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনে পুনৰ সতৰ্কতা জাৰি কৰিছে। নাগালেণ্ডৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে প্ৰকাশ কৰা বিবৃতিৰ ওপৰত ভিত্তি কৰি ৩০ আগষ্টৰ পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত সকলোকে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

বিশ্বনাথ জিলাৰ গহপুৰৰ কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। জিলাখনৰ পাহাৰীয়া চত্ৰং, কুকুৰজান, ব্ৰহ্মাজান, বালিজান নৈ জলস্তৰ বৃদ্ধি পাইছে। জিলাখনৰ বানপীড়িত লোকসকলক পৰ্যাপ্ত পৰিমাণে সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

০০০০০০

গোৱালপাৰা চহৰৰ বান সমস্যা ৰোধ কৰাৰ বাবে জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আজি বানৰ কবলত পৰা অঞ্চলসমূহ পৰিদৰ্শন কৰি বন্ধ হৈ থকা নলা-নৰ্দমাসমূহ খুলি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। জিলা আয়ুক্তগৰাকীৰ উপস্থিতিত নলা-নৰ্দমাসমূহ তাৎক্ষণিকভাৱে খুলি দিয়াৰ ফলত অঞ্চলসমূহত আৱদ্ধ হৈ থকা বৰষুণৰ পানী কিছুপৰিমাণে হ্ৰাস পাইছে। উল্লেখযোগ্য যে নিশাৰে পৰা হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত চহৰখনৰ কেইবাটাও অঞ্চল জলমগ্ন হৈ পৰিছিল।

০০০০০

কৃষিমন্ত্ৰী পীযুষ হাজৰিকাই আজি মৰিগাঁও জিলা কৃষি বিভাগৰ অন্তৰ্গত জাগীৰোড কৃষি উন্নয়ন চক্ৰৰ অধীনৰ পলাচোঙত হাঁহ-কুকুৰাৰ কণীৰ পৰা বৈজ্ঞানিক পদ্ধতিৰে পোৱালি উৎপাদন কেন্দ্ৰ উদ্বোধন কৰে। থলুৱা কৃষকসকলক উন্নতমানৰ পোৱালি সহজলভ্য কৰাৰ লগতে পশুপালন খণ্ডৰ বিকাশত এই কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰকাশ কৰে। বহিঃৰাজ্যৰ পৰা আমদানি কৰাৰ পৰিৱৰ্তে থলুৱা কৃষকৰ দ্বাৰা উৎপাদিত হাঁহ-কুকুৰাৰ কণী আৰু পোৱালিৰে বজাৰৰ চাহিদা পূৰণ কৰিব পাৰিলে ৰাজ্যৰ কৃষকসকল অধিক লাভান্বিত হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

গ্ৰামাঞ্চলত বিশুদ্ধ খোৱাপানী যোগান কাৰ্যসূচী সুদৃঢ় কৰাৰ লগতে  দীৰ্ঘম্যাদী জল সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় জল শক্তি মন্ত্ৰালয়ৰ উদ্যোগত নতুন দিল্লীৰ চাণক্যপুৰীত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুত্বপূৰ্ণ সন্মিলন অনুষ্ঠিত হৈছে। অসমৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিলৰ অধ্যক্ষতাত অনুষ্ঠিত এই সন্মিলনত অংশ লৈছে। এই সন্মিলনৰ জৰিয়তে অৰ্থবহ আলোচনাৰ সুবিধা প্ৰদান কৰা আৰু দেশজুৰি দেখা দিয়া মূল প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ লগতে বহনক্ষম পানীৰ ব্যৱস্থাপনা ত্বৰান্বিত কৰিবলৈ পৰিকল্পনা প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

সমাপ্ত